Child Dev. Project Office
Narayanpur ICDS Project

অসম চৰকাৰ
মহিলা আৰু শিশু উন্নয়ন বিভাগ
শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়
নাৰায়ণপুৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প
নাৰায়ণপুৰ,লক্ষীমপুৰ

নংঃ- চি.ডি.পি.ও.(এন.আৰ.পি)ই-২/২০২২-২৩/পিটি-১/২২২ তাৰিখ:২২/১১/২০২২

# বিজ্ঞাপন

অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনৰ নাৰায়ণপুৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অন্তৰ্গত তলত উল্লেখিত অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ বিপৰীতে অঙ্গনৱাড়ী কৰ্মী আৰু অঙ্গনৱাড়ী সহায়িকা হিচাপে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক মহিলা প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। নিম্ন লিখিত চৰ্তাৱলী সাপেক্ষে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক মহিলা প্ৰাৰ্থী এই কাৰ্যালয়ৰ দ্বাৰা নিৰ্ধাৰিত প্ৰ-পত্ৰৰ যোগেদি যাৱতীয় তথ্য ও প্ৰমাণ পত্ৰৰ লগতে আবেদন কৰিব পাৰিব। ইচ্ছুক মহিলা প্ৰাৰ্থীয়ে অহা ইংৰাজী ২৫/১১/২০২২ তাৰিখৰ পৰা নাৰায়ণপুৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প বিষয়া কাৰ্য্যালয়ৰ চলি থকা সময়ৰ পৰা দিনৰ ১১:০০ বজাৰ পৰা আবেলি ৩:০০বজালৈ আবেদন পত্ৰ কাৰ্য্যালয়ত জমা কৰিব পাৰিব। আবেদন প্ৰ-পত্ৰৰ নকল কপি গ্ৰহণ কৰা নহ'ব।

| ক্ৰঃ নং | গাওঁ পঞ্চায়তৰ নাম | খালী হৈ থকা অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম আৰু নম্বৰ | খালী পদৰ নাম | সংৰক্ষণ (যদি আছে) |
|---|---|---|---|---|
| ১ | বৰবালি | নগঞা (২৪৩) | অঙ্গনৱাড়ী কৰ্মী | |
| ২ | পানবাৰী | পানবাৰী মাজগাওঁ(০২) | অঙ্গনৱাড়ী কৰ্মী | |
| ৩ | পূব নাৰায়ণপুৰ | সাতবৰ মেৰমুখ(২৭) | অঙ্গনৱাড়ী কৰ্মী | অনুসূচিত জাতি |
| ৪ | পিছলা | কল্যাণপুৰ(১০২) | অঙ্গনৱাড়ী কৰ্মী | |
| ৫ | পিছলা | জৰাবাৰী(১০৪) | অঙ্গনৱাড়ী সহায়িকা | |
| ৬ | ৰাজগড় | ছেছা ৰাজগড়(২১৮) | অঙ্গনৱাড়ী সহায়িকা | |
| ৭ | ৰাজগড় | বালিকুচি (৭৭) | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ৮ | ৰঙটি | ৩ নং নিমুৰি(৩১৩) | অঙ্গনৱাড়ী সহায়িকা | |
| ৯ | ৰঙটি | ১ নং পুলিনাহৰণি উত্তৰ (২২৭) | অঙ্গনৱাড়ী সহায়িকা | |
| ১০ | ৰঙটি | ১ নং ৰঙটি (৮৯) | অঙ্গনৱাড়ী সহায়িকা | |
| ১১ | ৰঙটি | মাঘনোৱা (৮২) | অঙ্গনৱাড়ী সহায়িকা | |
| ১২ | নাৰায়ণপুৰ | বদুলাতি(১৩) | অঙ্গনৱাড়ী সহায়িকা | |
| ১৩ | দক্ষিণ নাৰায়ণপুৰ | ১ নং বহুপথাৰ(৩২) | অঙ্গনৱাড়ী সহায়িকা | |
| ১৪ | পূব নাৰায়ণপুৰ | জালভৰিয়া(২১) | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ১৫ | জামুগুৰি | বকুলগুৰি(৫০) | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |
| ১৬ | গনকদলনী | নিধানচোৱা(৫৯) | অঙ্গনৱাড়ী সহায়িকা | অনুসূচিত জাতি |

চৰ্তাৱলী সমূহঃ-

১) অঙ্গনৱাড়ী কৰ্মী আৰু অঙ্গনৱাড়ী সহায়িকা পদৰ মহিলা প্ৰাৰ্থী সকল স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক হ'ব লাগিব।

২) প্ৰাৰ্থী সকল নিৰ্ধাৰিত অঙ্গনৱাড়ী কেন্দ্ৰটোৰ জৰীপ এলেকাৰ স্থায়ী বাসিন্দা হ'ব লাগিব আৰু অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰীপ বহীত থকা ঘৰ নং আৰু প্ৰাৰ্থীৰ নং আবেদন পত্ৰত উল্লেখ কৰিব লাগিব। আবেদন প্ৰ-পত্ৰৰ লগত স্থানীয় গাওঁবুঢ়া অথবা ওৱাৰ্ড মেম্বাৰৰ পৰা স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ গাঁথি দিব লাগিব। কেন্দ্ৰ এলেকাৰ বাহিৰৰ প্ৰাৰ্থীৰ আবেদন নাকচ কৰা হ'ব।

৩) প্ৰাৰ্থীৰ বয়স ইংৰাজী ০১-০১-২০২২ তাৰিখে নিম্নতম ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

৪) অঙ্গনৱাড়ী কৰ্মী পদৰ বাবে নিম্নতম শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক (Higher Secondary) পৰীক্ষাত

উত্তীৰ্ণ হ'ব লাগিব নাইবা অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত ব 'ৰ্ডৰ পৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকে তেন্তে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত ব 'ৰ্ডৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা / হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষা(HSLC/AHM)ত উত্তীৰ্ণ প্ৰাৰ্থীৰ আবেদন গ্ৰহণ কৰা হ'ব।

৫)অঙ্গনৱাড়ী সহায়িকা পদৰ বাবে নিম্নতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষা / হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষা(HSLC/AHM)ত উত্তীৰ্ণ হ'ব লাগিব নাইবা অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত ব 'ৰ্ডৰ পৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকে তেন্তে নিম্নতম শিক্ষাগত অৰ্হতা নৱম শ্ৰেণী উত্তীৰ্ণৰ আবেদন গ্ৰহণ কৰা হ'ব। এনে নৱম শ্ৰেণীৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ সমূহ সংশ্লিষ্ট বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ পৰা প্ৰতিস্বাক্ষৰিত (Countersigned) কৰা হ'ব লাগিব। অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ প্ৰাৰ্থী সকল শিক্ষাগত অৰ্হতা অনুযায়ী উত্তীৰ্ণ হোৱা পৰীক্ষাৰ নম্বৰৰ তালিকা (Marksheet) ৰ নকল কপি আবেদন প্ৰ-পত্ৰৰ লগত গাঁথি দিব লাগিব।

৬) যদি প্ৰাৰ্থীসকলে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ (KKHSOU) দ্বাৰা দিয়া BPP প্ৰমাণ পত্ৰ দাখিল কৰে তেন্তে তেওঁলোকক হাইস্কুল শিক্ষান্ত পৰীক্ষা / হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষা(HSLC/AHM)ত উত্তীৰ্ণ বুলি ধৰা নহ'ব।

৭) অঙ্গনৱাড়ী কৰ্মীৰ প্ৰাৰ্থীসকলে শিশুসকলৰ প্ৰাক স্কুলীয়া অনানুষ্ঠানিক শিক্ষা দিয়াৰ উপৰিও বিভিন্ন খেলা-ধূলা, শাৰীৰিক ব্যায়াম, নাচ-গান শিকাব পৰা হ'ব লাগিব আৰু আঁচনি খনৰ উদ্দেশ্য সফল কৰিব পৰাকৈ প্ৰতিদিনে কেন্দ্ৰ এলেকাত গৃহ পৰিদৰ্শন কৰিব পৰা হ'ব লাগিব। ইয়াৰ বাহিৰেও শিশু আৰু মাতৃ সকলৰ মনোযোগ আকৰ্ষণৰ কৰিব পৰাকৈ গীত- মাত, নাচ-গান, আবৃত্তি, নাটক, সাধুকথা, পুতলা বনোৱা, চিলাইৰ প্ৰতি আগ্ৰহী থাকিব লাগিব। লগতে সময়ে সময়ে দিয়া বিভাগীয় নিৰ্দেশনা সমূহ পালন কৰিবলৈ ইচ্ছুক থাকিব লাগিব।

৮) শাৰীৰিক ভাৱে বাধাগ্ৰস্ত মহিলাৰ বাবে শতকৰা ৩ শতাংশ পদ সংৰক্ষিত থাকিব। সেইসকল প্ৰাৰ্থীয়ে শাৰীৰিক বাধাগ্ৰস্ত আইন ১৯৯৫ ত নিৰ্ণয় কৰা উপযুক্ত কৰ্তৃপক্ষৰ পৰা এনে প্ৰমাণ পত্ৰৰ নকল কপি আবেদন প্ৰ-পত্ৰৰ লগত গাঁথি দিব লাগিব।

৯) যি সমূহ অঙ্গনৱাড়ী এলেকাৰ মুঠ জনসংখ্যাৰ ৪০ শতাংশৰ অধিক অনুসূচিত জাতি/অনুসূচিত জনজাতি/ চাহ জনজাতি হয়, তেনে অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী/সহায়িকাৰ পদ উক্ত সম্প্ৰদায়ৰ পৰা নিৰ্বাচন কৰা হ'ব।

১০) বিবাহিত মহিলা প্ৰাৰ্থীৰ ক্ষেত্ৰত তেওঁলোকৰ স্বামী গৃহৰ ঠিকনা হে গ্ৰহণযোগ্য হ'ব। অৱশ্যে বিধবা বা বিবাহ বিচ্ছেদ প্ৰাৰ্থী এই ক্ষেত্ৰত ৰেহাই পাব।

১১) প্ৰাৰ্থী সকলে নিজৰ শিক্ষাগত অৰ্হতা (নম্বৰৰ তালিকা সহ), অন্যান্য অৰ্হতাৰ প্ৰমাণ পত্ৰ (যদি প্ৰযোজ্য), জন্মৰ প্ৰমাণ পত্ৰ ( হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰবেশ পত্ৰ বা উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ বা অন্যান্য বৈধ নথি যত জন্মৰ তাৰিখ উল্লেখ আছে), জাতিৰ প্ৰমাণ পত্ৰ ( যদি প্ৰযোজ্য) , সংশ্লিষ্ট এলেকাৰ বাসিন্দাৰ প্ৰমাণ পত্ৰ, শাৰীৰিক বাধাগ্ৰস্ততাৰ প্ৰমাণ পত্ৰ (যদি প্ৰযোজ্য) ইত্যাদিৰ স্ব-প্ৰত্যায়িত *(Self Attested)* নকল কপি আৰু এখন পাচপৰ্ট আকাৰৰ ফটো আবেদন প্ৰ-পত্ৰৰ লগত গাঁথি দিব লাগিব আৰু সাক্ষাৎকাৰৰ দিনা মূল নথি পত্ৰ সমূহ পৰীক্ষণৰ বাবে আনিব লাগিব।

১২) কোনো ভুল তথ্য বা ভুল নথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী নিৰ্বাচিত হয় আৰু সেইটো পিছত প্ৰমাণিত হ'লে সেইসকল প্ৰাৰ্থীক তৎক্ষণাৎ অঙ্গনৱাড়ী কৰ্মী বা সহায়িকা পদৰ সেৱাৰ পৰা বৰ্খাস্ত কৰা হ'ব।

১৩) অবৈধ হোৱা আবেদনকাৰীৰ নামৰ তালিকা কাৰ্য্যালয়ৰ জাননী ফলকত লগতে সাক্ষাৎকাৰৰ দিনো কাৰ্য্যালয়ৰ জাননী ফলকত দিয়া হ'ব।

১৪) নিৰ্বাচিত প্ৰাৰ্থী সকলে নিৰ্ধাৰিত সময়ৰ ভিতৰত স্বেচ্ছামূলক সেৱা আগবঢ়োৱাৰ সম্মতি (Expression of interest) পত্ৰ লগতে চৰকাৰী চিকিৎসৰ পৰা সুস্থ স্বাস্থ্যজনিত (Medical Fitness) ৰ প্ৰমাণ পত্ৰৰ প্ৰদান কৰি কাৰ্য্যত যোগদান কৰিব লাগিব।

১৫) এই সেৱা কাৰ্য্যত বাবে যোগদান কৰা অঙ্গনৱাড়ী কৰ্মী/ সহায়িকা সকলৰ বয়স ৬০ বছৰ সম্পূৰ্ণ হোৱাৰ লগে লগে পদৰ পৰা অব্যাহতি দিয়া হ'ব অথবা কাৰ্য্যভাৰ নিয়াৰিকৈ চলাবলৈ অসমৰ্থ হলে তাৰ আগতে নিৰ্দিষ্ট পদৰ পৰা অব্যাহতি দিয়া হ'ব ।

১৬) প্ৰাৰ্থী সকলে কাৰ্য্যালয়ৰ পৰা যোগান ধৰা আবেদন পত্ৰৰ মতে আবেদন কৰিব লাগিব।

১৭) আবেদন প্ৰ-পত্ৰৰ গ্ৰহণ কৰাৰ শেষ তাৰিখ ০৯/১২/২০২২ (কাৰ্য্যালয় চলি থকা সময়ৰ ভিতৰত)।

১৮) আবেদন প্ৰ-পত্ৰৰ অগ্ৰাহ্যৰ তালিকা প্ৰকাশনৰ তাৰিখ ১৩/১২/২০২২।

১৯) আবেদন প্ৰ-পত্ৰৰ গ্ৰাহ্য প্ৰাৰ্থীৰ সাক্ষাৎকাৰৰ তাৰিখ ১৯/১২/২০২২ পুৱা ১১:০০ বজাৰ পৰা আবেলি ৪:০০ বজালৈ।

পাৰিতোষিকঃ-

১) অঙ্গনৱাড়ী কৰ্মী সকলে মাহে (৪৫০০.০০+২০০০.০০)=৬৫০০.০০(ছয় হাজাৰ পাঁচ শ) টকাকৈ পাৰিতোষিক হিচাপে পাব।

২)অঙ্গনৱাড়ী সহায়িকা সকলে মাহে (২২৫০.০০+১০০০.০০)=৩২৫০.০০(তিনি হাজাৰ দুই শ পঞ্চাছ ) টকাকৈ

পাৰিতোষিক হিচাপে পাব।

৩) প্ৰাৰ্থী সকলে সাক্ষাৎকাৰ লৈ অহাৰ বাবদ কোনো ধৰণৰ ভ্ৰমণ বানচ দিয়া নহ'ব।

**আবেদন প্ৰ-পত্ৰৰ তৎকালে নাকচ কৰা হ'ব যদিহে প্ৰাৰ্থী গৰাকী:--**

ক) কোনো ধৰণৰ মাৰাত্মক ৰোগত আক্ৰান্ত হয়।

খ) মানসিক ভাৱে বিকাৰগ্ৰস্থ হয়।

গ) কোনো ধৰণৰ অপৰাধ জনিত গোচৰত জৰিত হয়।

ঘ) বিদ্যালয় বা মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰী হয়।

ঙ) আবেদন প্ৰ-পত্ৰৰ গ্ৰহণ কৰা আৰু অঙ্গনৱাড়ী কৰ্মী/ সহায়িকা বাবে নিৰ্বাচিত হোৱা সময়ছোৱাত যদি কোনো প্ৰাৰ্থী কেন্দ্ৰ এলেকাৰ পৰা অন্য এলেকালৈ স্থানান্তৰিত হয়।

চ) যদিহে প্ৰাৰ্থীয়ে সাক্ষাৎকাৰত উপস্থিত নাথাকে বা মূল নথি পত্ৰ সমূহ যোগান ধৰিব নোৱাৰে।

চ) এই স্বেচ্ছামূলক সেৱাৰ নিয়োগ প্ৰক্ৰিয়াত প্ৰাৰ্থীয়ে নিজে বা প্ৰাৰ্থীৰ হৈ কোনো অন্য ব্যক্তিয়ে কোনো ধৰণৰ প্ৰত্যক্ষ বা পৰোক্ষ হস্তক্ষেপ কৰিলে।

বিঃদ্ৰঃ- চৰকাৰী জাননী নং-এচ.ডাব্লিউ.ডি.৫১৫/২০১৭/১৮ তাৰিখ ২৫ জানুৱাৰী ২০১৯ ৰ মৰ্মে 'প্ৰকল্প পৰ্যায়ৰ বাচনি কমিটী'ৰ জৰিয়তে সম্পূৰ্ণ মেধাৰ ভিত্তিত প্ৰাৰ্থী সকলক অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা পদৰ বাবে বাচনি কৰা হ'ব।

শিশু উন্নয়ন প্ৰকল্প বিষয়া
নাৰায়ণপুৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প
নাৰায়ণপুৰ, লক্ষীমপুৰ

নং-চিডি.পি.ও.(এন.আৰ.পি)ই-২/২০২২-২৩/পিটি-১/২২২ -এ তাৰিখ:২২/১১/২০২২

জ্ঞাতাৰ্থে ও সন্মানাৰ্থে প্ৰতিলিপি সমূহ প্ৰেৰণ কৰা হ'ল-

১) মাননীয় স্থানীয় বিধায়ক মহোদয়, বিহপুৰীয়া বিধানসভা সমষ্টি, বিহপুৰীয়া।

২) মাননীয় সঞ্চালক মহোদয়, মহিলা আৰু শিশু উন্নয়ন বিভাগ, উজানবজাৰ, গুৱাহাটী-১।

৩) মাননীয়া কাৰ্য্যক্ৰম বিষয়া, সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প কোষ, তেজপুৰ সংমণ্ডল, শোণিতপুৰ।

৪) মাননীয় উপায়ুক্ত মহোদয়, লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ।

৫) মাননীয়া অতিৰিক্ত উপায়ুক্ত মহোদয়া, সমাজ কল্যাণ বিভাগ, লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ।

৬) মাননীয় জিলা সমাজ কল্যাণ বিষয়া, লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ।

৭) মাননীয় জিলা তথ্য আৰু জন সম্পৰ্কৰক্ষী বিষয়া, লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ। স্থানীয় বাতৰি কাকতৰ যোগেদি বহুল প্ৰচাৰৰ বাবে আবেদন জনালোঁ।

৮) মাননীয়া চক্ৰ বিষয়া, নাৰায়ণপুৰ ৰাজহ চক্ৰ, নাৰায়ণপুৰ।

৯) মাননীয় খণ্ড উন্নয়ন বিষয়া, নাৰায়ণপুৰ।

১০) মাননীয় জেষ্ঠ্য মূখ্য স্বাস্থ্য বিষয়া, ঢলপুৰ পি.এইচ.চি।

১১) মাননীয় সভাপতি,............................................. গাওঁ পঞ্চায়ত।

১২) অঙ্গনৱাড়ী মূখ্য সেৱিকা সকল। কেন্দ্ৰ এলেকাত প্ৰচাৰৰ বাবে জনোৱা হ'ল।

১৩)আফিচ কপি ।

শিশু উন্নয়ন প্ৰকল্প বিষয়া
নাৰায়ণপুৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প
নাৰায়ণপুৰ ,লক্ষীমপুৰ